মহাৰাজ নৰনাৰায়ণৰ দিনত নিয়োজিত পাঁচটা পৰিয়ালৰ উত্তৰাধিকাৰীসকলৰ বৰদেউৰী হোৱাৰ বংশগত অধিকাৰ আছে। এই পাঁচটা পৰিয়ালক কোনো কোনোৱে পাঁচ পাণ্ডৱৰ পৰিয়াল বুলি কয়। পৰিয়ালকেইটাৰ নাম বুঢ়া, ডেকা, হোতা, বিধিপাঠক আৰু ব্ৰহ্মা। প্ৰতিটো গোটৰ কামবোৰ ভাগ কৰা থাকে।

বুঢ়া আৰু ডেকা পৰিয়ালৰ পূজাৰীসকলে পাল পাতি নৈমিত্তিক পূজাৰ কামসমূহ কৰে। পূজাৰ বিধিসমূহ আধ্যাত্মিকভাৱে কঠোৰ নিয়ম মানি পালন কৰা হয়। বুঢ়া আৰু ডেকা পুৰোহিতসকল একে পিতৃৰ বংশধৰ। ডাঙৰজনৰ পৰিয়াল বুঢ়া পৰিয়াল আৰু সৰুজনৰ পৰিয়াল ডেকা পৰিয়াল। মহাৰাজে তেওঁলোকক মন্দিৰত পূজা কৰাৰ বাবে নিয়োগ কৰিছিল। দুয়োকে কেন্দুকলাইৰ সন্তানৰ পৰিয়াল বুলি কোৱা হয়। আনহাতে কিছুমানে তেওঁলোকক ১৬ শতিকাৰ বৰ পূজাৰী ভৱকান্ত বৰপূজাৰীৰ সন্তান বুলি কয়। এইদৰে বেলেগ বেলেগৰ মুখত বেলেগ বেলেগ ধৰণে শুনা যায়। যিয়েই হওক দুয়োটাই ককায়েক-ভায়েকৰ পৰিয়াল বুলি স্বীকৃত। এই দুঘৰৰ মাজত বিয়া-বাৰু নহয়। সৰ্বসাধাৰণে তেওঁলোকক কেন্দুকলাইৰ বংশধৰ বুলি ভাবি অতি সন্মানৰ চকুৰে চায়। দুয়োটা পৰিয়ালৰ পূজা পদ্ধতি একে ধৰণৰ। পাল পাতি দেৱীৰ পূজা কৰে। বুঢ়া আৰু ডেকা পূজাৰীসকলৰ স্থান হোতা আৰু বিধিপাঠকৰ ওপৰত।

হোতা এটা সংস্কৃত মূলৰ শব্দ। হোতাসকলে হোমত অগ্নি সংযোগ কৰে, হোমৰ অগ্নি নিয়ন্ত্ৰণ কৰে আৰু আহুতি প্ৰদান কৰে। বিধিপাঠকসকলে হোম যজ্ঞত বা বিশেষ পূজাসমূহত ক্ৰম অনুসৰি বিধিপাঠ কৰে। বিধিপাঠ কৰি যোৱাৰ লগে লগে হোমৰ কাম আগবাঢ়ি যায়।

ব্ৰহ্মা শ্ৰেণীৰ পুৰোহিত বৰ্তমান কামাখ্যা মন্দিৰত নাই। তেওঁলোকৰ কাম বৰ্তমান অন্য পূজাৰীয়ে কৰে। ১৯৩১ চনৰ আগতেই শেষৰজন ব্ৰহ্মা পুৰোহিতৰ পৰলোকপ্ৰাপ্তি ঘটে। ব্ৰহ্মা পূজাৰীৰ কাম হোতাক সহায় কৰা আৰু আহুতিৰ হিচাপ ৰখা। প্ৰকৃততে ব্ৰহ্মা বা ব্ৰাহ্মণে গোটেই যজ্ঞখনৰ পৰিচালনা কৰে। যজ্ঞত হোৱা ভুল-ভ্ৰান্তিবোৰ দূৰ কৰা তেওঁৰ প্ৰধান কৰ্তব্য। তেওঁ অথৰ্ববেদৰ উপৰঞ্চি শ্লোকসমূহ পাঠ কৰি হোম যজ্ঞৰ সময়ত হোৱা ভুল-ভ্ৰান্তিবোৰ শুধৰায় আৰু হোম যজ্ঞ সফল কৰি তোলে।

মন্দিৰত দেৱীৰ আগত ভোগ আগবঢ়োৱা পূজাৰীসকলৰ অন্যতম কৰ্তব্য। পূজাৰীসকলে ৰজা-ৰাজ্য আৰু প্ৰজাৰ মংগল কামনা কৰি পূজা কৰে। পূজা পদ্ধতি তিনি প্ৰকাৰ— বৈদিক, তান্ত্ৰিক আৰু মিশ্ৰ।

বৈদিক (শ্ৰুত) শাস্ত্ৰ অনুসৰি যজ্ঞসমূহত কমেও চাৰি প্ৰকাৰৰ ব্ৰাহ্মণ লাগে। তেওঁলোকৰ নাম হোতা (হোত্ৰী), অদ্ধৰ্যু, উদগাতা আৰু ব্ৰহ্মা বা ব্ৰাহ্মণ।

দেখা গ'ল কামাখ্যা দেৱালয়ৰ হোম যজ্ঞসমূহ বৈদিক প্ৰথাৰ সৈতে সামঞ্জস্য ৰাখি পৰিচালিত হয়। উৎসৱৰ সময়ত হোৱা পূজাসমূহত চাৰিজন বৰদেউৰীয়ে একেলগে পূজা আগবঢ়ায়। বুঢ়া বা ডেকা পূজাৰীয়ে হোতাৰ দায়িত্ব পালন কৰে। এজন বিধিপাঠক থাকে আৰু যিকোনো এজন বৰদেউৰীয়ে ব্ৰহ্মাৰ দায়িত্ব পালন কৰে। বুঢ়া বা ডেকা পূজাৰীসকল একেই অৰ্হতা সম্পন্ন বাবে বছৰেকীয়া হিচাপত তেওঁলোকৰ পাল পৰে। তেওঁলোকে গুৰুত্বসহকাৰে নিজৰ দায়িত্ব পালন কৰে।

বুঢ়া আৰু ডেকা পূজাৰীসকল ককায়েক-ভায়েক বাবে একে বংশৰ, সেইবাবে তেওঁলোকৰ ভিতৰত বিবাহ সম্পন্ন হ'ব নোৱাৰে। তেওঁলোকৰ বিধি পাঠকৰ সৈতে বৈবাহিক সম্বন্ধত বাধা নাই। একেদৰে বিধি পাঠকেও বুঢ়া বা পূজাৰীসকলৰ ছোৱালী বিয়া কৰাব পাৰে।

কামাখ্যাধামত গোটেই বছৰ ব্যাপি নানান উৎসৱ চলি থাকে। প্ৰতিদিনৰ তীৰ্থযাত্ৰীৰ পয়োভৰৰ বাবে বৰদেউৰীসকলে অতিৰিক্ত কামৰ বোজা ল'বলগীয়া হয়। এইবাবে কামাখ্যা ধামৰ পূজা-পাতলৰ সুপৰিচালনাৰ সুবিধাৰ বাবে কামাখ্যা ধামৰ অন্যান্য মন্দিৰসমূহত 'নানান ব্ৰাহ্মণ' পূজাৰী নিয়োগ কৰা হয়। এইদৰে কামাখ্যা ধামত দুই প্ৰকাৰৰ ব্ৰাহ্মণ পূজাৰীৰ সৃষ্টি হয়। কামাখ্যা মন্দিৰৰ বৰদেউৰীক বৰপূজাৰী বুলিও কোৱা হয় আৰু অন্যান্য মন্দিৰসমূহৰ পূজাৰীসকলক দেউৰী বা পূজাৰী বুলি কোৱা হয়। তেওঁলোকৰ নিজ নিজ মন্দিৰত পূজা কৰাৰ অধিকাৰ আছে। নানান ব্ৰাহ্মণসকলৰ কামাখ্যা মন্দিৰত পূজা কৰাৰ অধিকাৰ নাই। আনহাতে কামাখ্যা মন্দিৰৰ পূজাৰীয়ে কামাখ্যা ধামৰ যিকোনো মন্দিৰত পূজা কৰাৰ অধিকাৰ আছে। কামাখ্যা ধামৰ সকলো ব্ৰাহ্মণে 'শৰ্মা' উপাধি লিখে।

বৰদেউৰী আৰু নানান দেউৰী ব্ৰাহ্মণসকলৰ মাজত বৈবাহিক সম্বন্ধ হ'ব পাৰে। পিতৃৰ মন্দিৰৰ অধিকাৰ সন্তানে পায়। ধামৰ বাহিৰৰ অসমীয়া ব্ৰাহ্মণ ছোৱালী কোনোৱে বিয়া কৰাই আনিলে 'কামাখ্যা ধামৰ বোৱাৰী' বুলি পৰিচয় দিয়ে। সেইদৰে কামাখ্যাৰ ছোৱালী অন্য অসমীয়া ব্ৰাহ্মণৰ ল'ৰাই বিয়া কৰালে কামাখ্যা ধামৰ জোঁৱাই হয়।

পূজাৰীসকলে গুৰু শিষ্য পৰম্পৰাৰে জ্যেষ্ঠ পূজাৰীৰ তত্বাৱধানত প্ৰশিক্ষণ ল'ব লাগে। উপযুক্ত অৰ্হতা আহৰণৰ পাছত মন্দিৰত পূজাৰীৰ কাম কৰাৰ অনুমতি পায়। কামাখ্যা মন্দিৰৰ পূজা পদ্ধতি গোপনীয়।

পূজাত পূজাৰীসকলৰ পত্নীসকলৰো গুৰুত্বপূৰ্ণ ভূমিকা আছে। পত্নীসকলে পূজাৰ সময়ত উপস্থিত থাকি পূজাৰী স্বামীক সহায় কৰে। তান্ত্ৰিক পূজাৰ অন্যতম উপাদান মদ্যপান। পত্নীসকলে পূজাৰীক সীমিত পৰিমাণৰ মদ্যপান কৰায়।

পূৰ্বতে কোৱা হৈছে কামাখ্যাৰ বৰদেউৰীসকলৰ মূল শিপা কনৌজত আছে। আনহাতে নানান বৰদেউৰীসকলে নিজৰ মূল শিপা উত্তৰ ভাৰতত বুলি ক'লেও উত্তৰ ভাৰতৰ কোন অঞ্চলৰ ভালকৈ ক'ব নোৱাৰে। সেয়েহে নানান বৰদেউৰীসকল উত্তৰ ভাৰতৰ নানান ঠাইৰ পৰা অহা বুলি ধৰিব পাৰি।

গ্ৰহণযোগ্য বংশাৱলী দুয়ো শ্ৰেণীৰ ব্ৰাহ্মণৰ নাই। আহোম স্বৰ্গদেউসকলৰ ৰাজত্ব কালত অহা বহু দৈৱজ্ঞৰ উল্লেখ বুৰঞ্জীসমূহত আছে।

আহোম স্বৰ্গদেউ শিৱসিংহৰ দিনত (১৭১৪-৪৪ খ্ৰিষ্টাব্দ) কৃষ্ণৰাম ভট্টাচাৰ্যৰ অধীনত অসমৰ বহুতো ব্ৰাহ্মণে শাক্তমতে দীক্ষা গ্ৰহণ কৰে। পূৰ্বচৰ্ত অনুসৰি কৃষ্ণৰাম ভট্টাচাৰ্য ন্যায়বাগীশক কামাখ্যা মন্দিৰৰ অধীক্ষক পাতে। কামাখ্যা পৰ্বতত তেওঁক স্থাপন কৰাত তেওঁ পৰ্বতীয়া গোসাঁই বুলি জ্ঞাত হয়। পৰ্বতীয়া গোসাঁইৰ বংশাৱলী পৰিয়ালে আধুনিক কৰি ৰাখিছে।

কৃষ্ণৰাম ভট্টাচাৰ্যই কামাখ্যা ধামৰ দায়িত্ব লৈয়েই তেওঁৰ নিজৰ পূজা পদ্ধতি প্ৰচলন কৰাৰ বাবে চেষ্টা কৰে। স্বৰ্গদেৱে পৰ্বতীয়া গোসাঁয়ে প্ৰস্তুত কৰা পূজাবিধি প্ৰচলন কৰাৰ বাবে অনুমোদন কৰে। পূজা পদ্ধতি সলনি কৰাৰ আৰু পূজা-পাতলৰ ক্ষেত্ৰত কৃষ্ণৰাম ভট্টাচাৰ্যৰ অভিভাৱকত্বৰ কামাখ্যাৰ বৰদেউৰীসকলে বিৰোধিতা কৰে। ফলত কৃষ্ণৰাম ভট্টাচাৰ্যৰ অভিপ্ৰায় সফল নহ'ল। স্বৰ্গদেউ ৰুদ্ৰসিংহই দুয়োপক্ষৰ মাজত বুজাবুজিৰে মীমাংসা কৰাই দিয়ে। সেইমতে স্বৰ্গদেৱে কৃষ্ণৰাম ভট্টাচাৰ্যক পৰ্বতীয়া গোসাঁই উপাধি প্ৰদান কৰে।

স্বৰ্গদেউৰ মধ্যস্থতাত হোৱা মীমাংসা মৰ্মে পাঁচঘৰ বৰদেউৰীয়ে কামাখ্যাৰ পূজা পাতলৰ ক্ষেত্ৰত স্বাধীনতা আৰু একচেটিয়া অধিকাৰ পালে।

কামাখ্যা ধামৰ পূজাৰীসকলৰ উপৰিও বহুতো ব্ৰাহ্মণ ধামৰ বাহিৰৰ পৰা আহি বিভিন্ন কাম কৰে। তেওঁলোকে তীৰ্থযাত্ৰীসকলক